**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 21-03-2026
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

আসন্ন বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত বিভিন্ন ৰাজনৈতিক দলৰ প্ৰাৰ্থীৰ মনোনয়ন দাখিল আৰু প্ৰচাৰ অভিযানে গতি লাভ কৰিছে। পৰহিলৈ মনোনয়ন দাখিলৰ অন্তিম দিনা বহু প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিব। ইপিনে, জিলা প্ৰশাসনসমূহেও নিৰ্বাচনকেন্দ্ৰীক তৎপৰতা অব্যাাহত ৰাখিছে। মাজুলীত আজি জিলা নিৰ্বাচনী বিষয়া সৃষ্টি সিং আৰু জ্যেষ্ঠ আৰক্ষী অধীক্ষক সোমালিন শোভাদৰ্শিনীয়ে আহতগুৰি অঞ্চলৰ ভোটগ্ৰহণ কেন্দ্ৰসমূহ পৰিদৰ্শন কৰে। পৰিদৰ্শনকালত তেওঁলোকে প্ৰতিটো কেন্দ্ৰতে ন্যূনতম সা-সুবিধা নিশ্চিত কৰাৰ লগতে যাতায়াতৰ সু-ব্যৱস্থা আৰু নিৰাপত্তা সম্পৰ্কীয় বিষয়ত গুৰুত্ব আৰোপ কৰে। ডিব্ৰুগড় জিলাৰ বিভিন্ন স্থানত আজি নিৰীক্ষণকাৰী দল আৰু ফ্লাইং স্কোৱাদে অভিযান চলায়। জিলাখনত একাংশ জ্যেষ্ঠ বিষয়াৰ দলে নাহৰকটিয়া বিধানসভা সমষ্টিৰ কেইবাটাও বোটগ্ৰহণ কেন্দ্ৰ পৰিদৰ্শন কৰে। জিলা আয়ুক্ত বিক্ৰম কৈৰী আৰু জ্যেষ্ঠ আৰক্ষী অধীক্ষক অভিজিত গৌৰৱ দিলীপৰ নেতৃত্বৰ এই দলটোৱে সমষ্টিটোৰ কেইবাটাও ভোটগ্ৰহণ কেন্দ্ৰ পৰিদৰ্শন কৰি প্ৰয়োজনীয় আন্তঃগাথনি আৰু সা-সুবিধাৰ বুজ লয়। যোৰহাট জিলাৰ আয়ুক্ত জয় শিৱানীয়ে আজি নিৰ্বাচনৰ ষ্টং ৰূম হিচাপে ব্যৱহাৰ হ'বলগীয়া যোৰহাট চৰকাৰী উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বালক বিদ্যালয় আৰু বালিকা বিদ্যালয় পৰিদৰ্শন কৰে।

ইপিনে, বিভিন্ন ৰাজনৈতিক দলৰ প্ৰাৰ্থীসকলে প্ৰচাৰ আৰম্ভ কৰিছে। কংগ্ৰেছ দলৰ নেতা গৌৰৱ গগৈয়ে আজি মাজুলীত প্ৰচাৰ চলায়। মাজুলীত বিজেপি প্ৰাৰ্থী ভূবন গামেও আজি উজনি মাজুলীৰ কেইবাটাও অঞ্চলত প্ৰচাৰ চলায়। চিৰাং জিলাৰ চিদনীত আজি দুই শতাধিক লোকে বি পি এফ দলত যোগ দিয়ে। জিলাখনৰ গৰুভাষাত অনুষ্ঠিত এখন যোগদান সভাত এই লোকসকলে দলটোত যোগ দিয়ে। বাক্সা জিলাৰ মুছলপুৰত আজি ইউ পি পি এল আৰু জি এছ্ পিৰ ৭২ গৰাকী সদস্যই আজি বি পি এফত যোগ দিয়ে। ০০০০০

০০০০

ৰাজ্যবাসীয়ে আজি কুশল কোঁৱৰৰ জন্মবাৰ্ষিকী উপলক্ষে শ্বহীদগৰাকীক শ্ৰদ্ধাৰে সুঁৱৰিছে। ১৯০৫ চনৰ আজিৰ দিনটোতে তেওঁ গোলাঘাট জিলাৰ চাওদাং চাৰিআলিত জন্মগ্ৰহণ কৰিছিল। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত গোলাঘাট জিলাৰ সৰুপথাৰত ৰে'ল দুৰ্ঘটনাৰ সৈতে জড়িত থকাৰ অভিযোগত স্বাধীনতা সংগ্ৰামীগৰাকীক গ্ৰেপ্তাৰ কৰি মৃত্যুদণ্ডৰ হুকুম দিয়া হৈছিল। ১৯৪৩ চনৰ ১৫ জুনত কুশল কোঁৱৰক ফাঁচী দিয়া হৈছিল। অহিংস নীতিৰে স্বাধীনতা আন্দোলনত যোগ দিয়া সেনানীগৰাকীয়ে গোলাঘাট জিলা কংগ্ৰেছৰ সম্পাদকৰ দায়িত্বও পালন কৰিছিল।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে জন্মবাৰ্ষিকী উপলক্ষে আজি শ্বহীদগৰাকীক শ্ৰদ্ধাৰে সোঁৱৰে।

ডিব্ৰুগড়ৰ ছহিদ কুশল কোঁৱৰ স্মৃতি ৰক্ষা সমিতি আৰু ডিব্ৰুগড় পৌৰ নিগমৰ উদ্যোগত আজি ছহিদগৰাকীৰ জন্ম বাৰ্ষিকী পালন কৰা হয়। এই উপলক্ষে চৌকিদিঙি চাৰিআলিত কুশল কোঁৱৰৰ প্ৰতিমুৰ্তিত ডিব্ৰুগড় পৌৰ নিগমৰ মেয়ৰ ডাঃ চৈকত পাত্ৰ আৰু স্মৃতিৰক্ষা সমিতিৰ সভাপতি প্ৰকাশ গগৈয়ে মাল্যাৰ্পন কৰে।  ইয়াৰ পাছতে এখন স্মৃতিচাৰণ সভা অনুষ্ঠিত হয়। অনুষ্ঠানত অংশ লৈ অসম সাহিত্য সভাৰ কুঁহি উপ সমিতিৰ আহ্বায়ক প্ৰশান্ত শইকীয়াই অহা জুলাইত ডিব্ৰুগড়ত হ'বলগীয়া ৫ দিনীয়া কুঁহিৰ অনুষ্ঠানত কুশল কোঁৱৰ স্মৃতি ৰক্ষা সমিতিৰ সৌজন্যত শিশুসকলৰ দ্বাৰা ছহিদগৰাকীৰ স্মৃতিত এটা অনুষ্ঠান ৰূপায়ণ কৰা হ'ব বুলি জানিবলৈ দিয়ে।

০০০০

ডমিনিকান গণৰাজ্যৰ পৰিকল্পনাৰে আয়োজিত অনলাইন বিশ্ব কবিতা মহোৎসৱত আজি অসমৰ ছগৰাকী বিশিষ্ট কবিয়ে অংশগ্ৰহণ কৰে। এই অনুষ্ঠান পোনপটীয়াকৈ প্ৰচাৰ কৰাৰ লগতে আৰ্জেণ্টিনাৰ ৰাজধানী চহৰ বুয়েন্সছ আয়াৰ্ছৰ পৰা অবিৰত ২৪ ঘণ্টা জুৰি সম্প্ৰচাৰ কৰা হৈছে। মহোৎসৱত অসমৰ ছগৰাকী কবিৰ কবিতা আধাঘণ্টাৰ বাবে সম্প্ৰচাৰ কৰা হয়। বিশিষ্ট কবি ৰাজীৱ বৰুৱাই অসমীয়া ভাষাৰ সমন্বয়ক হিচাপে অংশ লোৱা এই মহোৎসৱত ড০ লুটফা হানুম ছেলিমা বেগম, ৰাজীৱ বৰুৱা, ড০ এম কামালুদ্দিন আদমেদ, কুশল দত্ত, বৰ্ণালী বৰগোহাঁই আৰু ড০ বিজয় শংকৰ বৰ্মনে অসমক প্ৰতিনিধিত্ব কৰে। এই সন্দৰ্ভত কবি ৰাজীৱ বৰুৱাই এইদৰে কয়-

বাইট (ৰাজীৱ বৰুৱা)

০০০০

এছ এছ বিৰ সঞ্চালক প্ৰধান সঞ্জয় সিংহলে আজি তামুলপুৰ জিলাৰ ভাৰত-ভূটান সীমান্তৱৰ্তী দৰংগাৰ ৬৪ নম্বৰ বাহিনীৰ অন্তৰ্গত সীমান্ত চকী পৰিদৰ্শন কৰে। ভ্ৰমণকালত সঞ্চালক প্ৰধানগৰাকীয়ে দৰংগাৰ ভূটান গেটত নৱনিৰ্মিত সীমান্ত তালচী কেন্দ্ৰৰ কামকাজৰ অগ্ৰগতি আৰু ইয়াৰ কাৰ্যক্ষমতাৰ বুজ লয়। সঞ্চালক প্ৰধানগৰাকীয়ে ভূটানৰ বিশিষ্ট ব্যক্তি তথা তামুলপুৰৰ অতিৰিক্ত আৰক্ষী অধীক্ষকৰ সৈতে সৌহাদ্য মূলক আলোচনাত মিলিত হয়। ইয়াৰ পিছতে তেওঁ ৬৪ নম্বৰ বাহিনীৰ কাৰ্যক্ষেত্ৰৰ অধীনস্থ সংকলিত প্ৰশিক্ষণ চকী পৰিদৰ্শন কৰি ভূমি বন্দৰ কৰ্তৃপক্ষ আৰু সীমা শুল্ক বিভাগৰ বিষয়াসকলৰ সৈতে সমন্বয় ৰক্ষা সন্দৰ্ভত গুৰুত্বপূৰ্ণ আলোচনাত মিলিত হয়। তেওঁ বি আই টি টি অঞ্চলটো ভ্ৰমণ কৰি কৰ্তব্যৰত জোৱানসকলক নিষ্ঠাৰে দায়িত্ব পালন কৰিবলৈ অনুপ্ৰাণিত কৰাৰ লগতে মতংগা গেটত আন্তঃগাঁথনি অধিক শক্তিশালী কৰিবলৈ নিৰ্দেশ দিয়ে।

০০০০

নাজিৰা উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত বিষয় শিক্ষয়িত্ৰী, লেখিকা, সমাজকৰ্মী অঞ্জনা বৰগোহাঞিৰ আজি ডিব্ৰুগড়ৰ এখন চিকিৎসালয়ত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ য়স হৈছিল ৭০ বছৰ। কেইবাটাও বঁটা আৰু সম্বৰ্ধনাৰে সন্মানিত  বৰগোহাঞিৰ বিয়োগত অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

০০০০০

ঃঃ সমাপ্ত ঃঃ